بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা ঈদুল আজহা

**কোৰবাণী কৰাৰ মূল উদ্দেশ্য আল্লাহ্ তা'লাৰ সন্তুষ্টি অৰ্জন কৰা, খোদাৰ প্ৰতি ভয় কৰা, এনেকুৱা কৰিলেহে প্ৰত্যেক প্ৰকাৰ কোৰবাণী আমাৰ কামত আহিব।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ জুন ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা ঈদুল আজহাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ. اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ. الرَّحۡمٰنِ الرَّحِیۡمِ. مٰلِکِ یَوۡمِ الدِّیۡنِ. اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ. اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ. صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ.

لَنۡ یَّنَالَ اللّٰہَ لُحُوۡمُہَا وَ لَا دِمَآؤُہَا وَ لٰکِنۡ یَّنَالُہُ التَّقۡوٰی مِنۡکُمۡ ؕ کَذٰلِکَ سَخَّرَہَا لَکُمۡ لِتُکَبِّرُوا اللّٰہَ عَلٰی مَا ہَدٰىکُمۡ ؕ وَ بَشِّرِ الۡمُحۡسِنِیۡنَ ﴿۳۸﴾ (22:38)

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা হজ্বৰ আয়াত নং ৩৮ পাঠ কৰে। উক্ত আয়াতৰ অনুবাদ কৰি কয় যে কোৰবাণী দিয়া জন্তুবোৰৰ মাংসবোৰ আৰু তেজখিনি আল্লাহৰ ওচৰলৈ নাপায়, কিন্তু সেইজনাৰ ওচৰলৈ পাব তোমালোকৰ অন্তৰৰ ধাৰ্মিকতা (আল্লাহৰ প্ৰতি ভয়) এনেবিলাক জন্তু এইদৰে আল্লাই তোমালোকৰ আয়ত্তৰ অধীন কৰিছে আল্লাই তোমালোকৰ সুপথ প্ৰদৰ্শন কৰাৰ কাৰণে যাতে তোমালোকে সেইজনাৰ মহাত্মাৰ ঘোষণা কৰা; আৰু (হে মহম্মদ) সৎকৰ্মী সকলক তুমি শুভ সংবাদ দিয়া।

আজি ঈদুল আজহা, এই ঈদক কোৰবাণীৰ ঈদ বুলিও কোৱা হয়। আহমদী সকলৰ আৰ্থিক কোৰবাণী কৰাৰ অভ্যাস আছে আৰু বৰ্তমান যুগত নিষ্ঠাৰ সৈতে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে প্ৰাণ বিসৰ্জন দিয়াৰ অৰ্থৰ মৰ্মও বুজি পায়; সেয়া কিন্তু আন কোনো জাতিৰ মাজত পোৱা নাযায়।সেইহেতু ভেড়া, ছাগলী, গাই

গৰু আদিবোৰৰ ওপৰত আল্লাহ তা'লাৰ আদেশ আৰু আঁহজৰত (ছাঃ)ৰ ছুন্নত অনুসৰি খৰচ কৰাটো আহমদী সকলৰ বাবে এনেকুৰা আনন্দৰ কথা যাক আমি ধাৰণা কৰিব নোৱাৰো; আৰু যিসকলে কোৰবাণী কৰাৰ সামৰ্থ্য শক্তি নাৰাখে সিহঁতৰ উৎসাও ইমানে যাক ধাৰণা কৰা অসম্ভৱ। আহমদী সকলৰ কোৰবাণী কৰাৰ যি উৎসা সেয়া সাধাৰণ বস্তু নহয়। সেই উৎসা আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে দোৱাৰ মাধ্যমে প্ৰকাশ কৰাৰ প্ৰয়াস কৰিব। কিয়নো দোৱাৰ মাজত শক্তি আছে। হজৰত হাজৰা (আঃ), হজৰত ইছমাইল (আঃ)ৰ দোৱা, বিনম্ৰতা আৰু ব্যাকুলতাৰ সময়ত কেৱল আল্লাহৰ ওপৰতেই ভৰসা কৰিছিল, যাৰ ফলত পানীৰ নিজৰা বোৱাই দিছিল আৰু চহৰত পৰিণত হৈছিল আৰু সেয়া এনেকুৰা চহৰ হৈ গৈছিল যি ইছলামৰ কেন্দ্ৰ বিন্দু। গতিকে আমাৰ কৰ্তব্য এয়া যে আমি কোৰবাণী কৰাৰ ফলত যেন কেৱল এই শিক্ষাই অৰ্জন নকৰো যে আমি পশু কোৰবাণী কৰিয়ে কাম সম্পূৰ্ণ কৰিছোঁ। কোৰবাণী কৰাৰ পিছত মূল বস্তু আল্লাহৰ তা'লাৰ সন্তুষ্টি অৰ্জন কৰা আৰু খোদাৰ প্ৰতি ভয় কৰা, এনেকুৰা কৰিলেহে আমাৰ কোৰবাণী কামত আহিব।

হজৰত ইব্ৰাহিম (আঃ)য়ে যেতিয়া নিজৰ সপোন দেখাৰ পিছত হজৰত ইছমাইল (আঃ)ক কলে যে মই তোমাক সপোনত জবাহ কৰি থকা দেখা পাইছো, এতিয়া এই সন্দৰ্ভত তোমাৰ ৰায় কি ? তেতিয়া আল্লাহৰ সন্তুষ্টি বিচৰা পুত্ৰই উত্তৰ দিয়ে যে হে মোৰ দেউতা ! সেয়া কৰা যি আদেশ খোদাই তোমাক দিছে। নিজৰ ডিঙিখন তৰোৱালৰ তলত ৰাখি দিয়ে আৰু আল্লাহ তা'লাই দেউতা আৰু পুত্ৰৰ কোৰবাণীৰ উৎসা চাই দেউতাক পুত্ৰৰ ডিঙিত তৰোৱাল ধাৰণ কৰাৰ পৰা বাধা প্ৰদান কৰে আৰু তাৰ পৰিৱৰ্তে জন্তু বা পশু কোৰবাণী কৰাৰ আদেশ দিয়ে। এই উৎসা আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰাৰ এটা কাৰ্যকৰী কৰ্ম আছিল। যাক আল্লাহ তা'লাই গৃহীত কৰি সেয়া ইছলামী শিক্ষাৰ ভেঁটি আৰু কোৰবাণীত অন্তৰ্ভুক্ত কৰি দিলে; আৰু সেই মানৱ প্ৰাণৰ পৰিৱৰ্তে জন্তু কোৰবাণী কেৱল বাহ্যিক হিচাপে প্ৰকাশ কৰা নাছিল, বৰং যেতিয়াই মুছলমান সকলক হজ্ব কৰা সময়ত বা ঈদৰ সময়তও কোৰবাণী কৰাৰ আদেশ দিছে লগতে এয়া সুস্পষ্টও কৰি দিছে যে কোৰবাণী তেতিয়া গৃহীত হয় যেতিয়া খোদাৰ প্ৰতি ভীতি অৱলম্বন কৰি সেইজনাৰ সন্তুষ্টি অৰ্জনাৰ্থে কৰা হয়।

অৰ্থাৎ এই কথাৰ বিস্তাৰিত বিৱৰণ আল্লাহ তা'লাই উক্ত আয়াতত বৰ্ণনা কৰি দিছে যি মই পাঠ কৰিছোঁ। সেই কোৰবাণীৰ উদ্দেশ্য বৰ্ণনা কৰি উক্ত আয়াতৰ আলোকত হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, খোদা তা'লাই ইছলামী চৰিয়তত গুৰুত্বপূৰ্ণ কামৰ বাবে আদৰ্শ স্থাপন কৰিছে যে সিহঁতৰ নিজৰ সমূহ শক্তিৰ লগতে নিজৰ অস্তিত্বক খোদা তা'লাৰ বাটত বিসৰ্জন দিব। বাহ্যিক কোৰবাণী সেই অৱস্থাৰ বাবে আদৰ্শ বুলি সাব্যস্ত কৰা হৈছিল; কোৰবাণীৰ মূল উদ্দেশ্য এয়া যিদৰে আল্লাহ তা'লাই কৈছে, খোদা তা'লালৈ তোমালোকৰ কোৰবাণীৰ মাংসও গৈ নাপায় আৰু তেজও গৈ নাপায়, কিন্তু তোমালোকৰ তাকওৱা গৈ পাব। সেইজনাৰ প্ৰতি ইমানেই ভয় কৰা যে তুমি সেইজনাৰ বাটতে মৰিয়েই গৈছা, যিদৰে তোমালোকে নিজৰ হাতেৰে কোৰবাণী কৰা সেইদৰে তোমালোকে খোদাৰ বাটত জবাহ হৈ যোৱা। যদি কোনোবাৰ তাকওৱা ইয়াতকৈ হ্ৰাস পায় তেন্তে সেয়া দুৰ্বল।

গতিকে এনে ধৰণৰ তাকওৱা আৰু চিন্তা-ভাৱনা কোৰবাণী কৰোঁতা সকলৰ মাজত হোৱা উচিত, বাহ্যিক কোৰবাণী একোৱেই নহয়। দোৱা অব্যাহত ৰাখিব। আল্লাহ তা'লা ঈদৰ কোৰবাণী কৰাৰ সৌভাগ্য প্ৰদান কৰি আমাৰ মাজত তাকওৱা সৃষ্টি কৰক, সেই বাস্তৱ তাকওৱা যাক আল্লাই আমাৰ পৰা বিচাৰে, যাৰ প্ৰতি আঁহজৰত (ছাঃ)য়ে আমাক মনোযোগ আকৰ্ষণ কৰিছে; আৰু তেখেত (ছাঃ)ৰ পৱিত্ৰ আদৰ্শ আৰু প্ৰশিক্ষণৰ অধীনত চাহাবা সকলক প্ৰশিক্ষিত কৰিছে আৰু নিজৰ জীৱনৰ অংশী বনাইছে। তেখেতৰ প্ৰত্যেক মুহূৰ্ত কোৰবাণীৰ মাজেৰে অতিবাহিত কৰিছে, তেখেতৰ আদৰ্শ আমাৰ বাবে আদৰ্শস্বৰূপ। বৰ্তমান

যুগত সেয়া পুনৰজীৱিত কৰাৰ বাবে হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে। তেখেত (আঃ)য়ে বাৰম্বাৰ তাকওৱা অৱলম্বন কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি থাকিছে।

আঁহজৰত (ছাঃ)ৰ ধৰ্মক কেতিয়া বুজি পাব এই কথা বৰ্ণনা কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, কোনোবাই পৱিত্ৰ হ'ব নোৱাৰে যেতিয়ালৈকে খোদা তা'লাই পৱিত্ৰ নকৰে। যেতিয়া খোদা তা'লাৰ চৰণত নিষ্ঠাৰ সৈতে নিজৰ আত্মা অৱনমিত কৰিব তেতিয়া খোদা তা'লাই তেওঁৰ দোৱা গৃহীত কৰিব আৰু তেওঁ মুত্তাকী হ'ব পাৰিব আৰু যোগ্যবান ব্যক্তি হিচাপে পৰিগণিত হৈ আঁহজৰত (ছাঃ)ৰ ধৰ্মক বুজিব পাৰিব। ইয়াৰ বাহিৰে যিমানেই সি দ্বীন দ্বীন কৰি চিঞৰ বাখৰ নকৰক কিয় আৰু উপাসনা নকৰক কিয় সেয়া কেৱল এক প্ৰথা হিচাপেই থাকি যাব যি নিজৰ পিতৃ-পুৰুষ সকলৰ পৰা শুনা পাই থাকে। হজৰত ইব্ৰাহিম, হজৰত ইছমাইল আৰু হজৰত হাজৰা (আঃ) য়ে নিষ্ঠা আৰু বিনম্ৰতাৰ সৈতে আল্লাহৰ চৰণত অৱনত হোৱাৰ ফলতেই সেই দোৱা গৃহীত হোৱাৰ মৰ্যাদাৰ ফল লাভ কৰিব পাৰিছে যাক আমি আজিলৈকে উপভোগ কৰি আছো। সেয়া গৃহীতমূলক দোৱাই আছিল যাৰ ফলত সেই মহান মানৱ তেখেতৰ বংশধৰত জন্ম পাইছে, তেখেতৰ আজ্ঞা পালন কৰি আৰু অনুসৰণ কৰি আমি খোদাৰ সন্তুষ্টি লাভ কৰিব পাৰিম আৰু আমাৰ দোৱা গৃহীত হ'ব পাৰিব। আমি যদি প্ৰকৃততে হজৰত মছীহ মাওউদ (আঃ)ক স্বীকাৰ কৰিছোঁ তেন্তে আমাৰ কাম হ'ব খোদাৰ প্ৰতি ভয় কৰি আঁহজৰত (ছাঃ)ৰ ধৰ্মৰ মৰ্মক বুজি পোৱাৰ শক্তি আমাৰ মাজত সৃষ্টি হ'ব লাগিব তাৰ পাছত চাব যে খোদা তা'লা আমাৰ দোৱা কেনেকৈ গৃহীত কৰে।

আকৌ কোৰবাণীৰ বিৱৰণ আৰু তাকওৱাৰ বাস্তৱতা বৰ্ণনা কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত কৈছে, নিষ্ঠাবান লোকৰ আত্মা খোদা তা'লাৰ ফালে সমুন্নত কৰা হয়, সিহঁতৰ মাংস, হাড় ইত্যাদি সমূহ খোদা তা'লালৈ গৈ নাপায়। সেইহেতু দ্বিতীয়বাৰ এই উপদেশ কৰো যে নিজৰ কৰ্মৰ প্ৰতি লক্ষ্য ৰখা। পুণ্য কৰ্মই সেই ফল প্ৰদান কৰে যে মানুহৰ কোৰবাণীক গৃহীত হোৱাৰ মাধ্যম বনাই দিয়ে। পুণ্য কৰ্ম সেয়া যিয়ে আল্লাহ তা'লাৰ অধিকাৰ পালন কৰোঁতা হয় আৰু সেইজনাৰ ভৃত্য সকলৰ অধিকাৰও পালন কৰোঁতা হয়।

আকৌ বিস্তাৰিত ভাৱে বৰ্ণনা কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, খোদাৰ পুৰণি নিয়ম এয়া যে এই সকলোবোৰ, অৰ্থাৎ তাকওৱা বুজি পোৱা মানে তাৰ ফল সম্পূৰ্ণৰূপে চিনি পোৱাৰ পিছতহে লাভ হয়। ভীতি,প্ৰেম আৰু সহানুভূতিৰ মূল শিপা হৈছে সম্পূৰ্ণ ৰূপে সত্যক চিনি পোৱা। গতিকে যাক সম্পূৰ্ণ সত্যক চিনি পোৱাৰ শক্তি প্ৰদান কৰা হৈছে তেওঁক মুক্তি দিয়া হৈছে। সেইজন কিমানে সৌভাগ্যবান যিজনে সত্যক চিনি পাই তাৰ ওপৰত কাৰ্যকৰী হৈছে আৰু আল্লাহৰ প্ৰতি ভয় আৰু প্ৰেম তেওঁৰ হৃদয়ত সৃষ্টি হৈছে। তেওঁৰ মৰ্যাদাৰ জোখ ইমানেই যে তেওঁ প্ৰত্যেক পাপৰ পৰা আঁতৰত থাকে। মানৱ হিচাপে যদিও কোনো দুৰ্বলতা প্ৰকাশও পাই যায় অনতিপলমে আল্লাহৰ পৰা ক্ষমা বিচাৰি সেইজনাৰ ফালে উভতি যোৱা উচিত। মোমিন সকলে কোনো ভুল জানিশুনি নকৰে কিয়নো সিহঁতৰ ওপৰত আল্লাহৰ প্ৰেম সৰ্বদা বিজয় হৈ থাকে। প্ৰকৃত ঈমান এয়া যে সি সদায় এই বিশ্বাস স্থাপন কৰে যে খোদা তা'লাই মোক দেখি আছে, মোৰ হৃদয়ৰ অৱস্থা সেইজনাই জানে আৰু মোৰ কোনো কাৰ্যকলাপ এনেকুৱা যেন নহয় যাৰ ফলত খোদা তা'লাই মোক অপছন্দ কৰে। তেখেত (আঃ)য়ে কৈছে যেতিয়া এনে পৰিস্থিতিত গৈ উপনীত হ'ব তেতিয়া সঠিক মুছলমান বুলি পৰিগণিত হ'ব পাৰিব। এজন মোমিনৰ উচিত যে সি ইছলামৰ খাতিৰে নিজৰ ডিঙি কাটি পেলোৱাৰ বাবে প্ৰস্তুত হৈ যায়, প্ৰত্যেক ধৰণৰ কোৰবাণী দিয়াৰ বাবে প্ৰস্তুত হৈ যায়, অৰ্থাৎ মূল উদ্দেশ্য সি আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰিব বিচাৰে। সিহঁতৰ প্ৰত্যেক কথন, কৰ্ম কেৱল আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে হৈ থাকে, যেতিয়া এনে পৰ্যায়ত গৈ উপনীত হয় তেতিয়াই প্ৰকৃত ইছমাইলৰ কোৰবাণীৰ আদৰ্শ স্বৰূপ হৈ যায়। এই

ঈদ  ভালপোৱা আৰু প্ৰীতিমূলক শিক্ষা গ্ৰহণ কৰাৰ বাবে হয়; কেৱল পশুৰ কোৰবাণী দি সেইবিলাকৰ মাংস খোৱাৰ বাবে যেন নহয়। আজি যদি আমি সত্যৰ দৃষ্টিকোণক বুজি পাও তেন্তে দোৱা গৃহীত হোৱাৰ মহান নিদৰ্শনৰ দৃশ্যও চাব পাৰিম।

কেৱল বিশুদ্ধ তাকওৱা লগতে ঈদুল আজহাত যি বাহ্যিক কোৰবাণী কৰা হয় সেয়া সামৰ্থ্য শক্তি থকা সকলে কৰা উচিত। এই বাহ্যিক কোৰবাণীও কৰা ছুন্নত হয়। ইব্ৰাহিমী ছুন্নতক ইছলামে বিশেষকৈ জাৰি কৰিছে আৰু আঁহজৰত (ছাঃ)য়ে সদায় এই কোৰবাণী কৰিছে, বৰঞ্চ উম্মতৰ দৰিদ্ৰ শ্ৰেণীৰ লোক সকলৰ ফালৰ পৰা তেখেত (ছাঃ)য়ে এই কোৰবাণী কৰিছে। এই বাহ্যিক কোৰবাণীও ভৃত্য সকলৰ অধিকাৰ পালন কৰাৰ এক মাধ্যম হয় ইয়াৰ ফলতে খোদা তা'লাৰ প্ৰতি প্ৰেম, ভালপোৱা বৃদ্ধি পায়; কিয়নো আল্লাহ তা'লাৰ সৃষ্টিকুলৰ সেৱা আল্লাহৰ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে মানৱে কৰে। বাহ্যিক কোৰবাণী আৰু কৰ্মৰ মাজত ৰহস্য এয়া যে শৰীৰ বাহ্যিক ক্ৰিয়া আৰু কৰ্মৰ প্ৰভাৱ আত্মাৰ মাজত পৰে।

সামৰ্থ্য শক্তি থকা লোক সকলে যেতিয়া কোৰবাণী সন্দৰ্ভত লাখ লাখ টকা খৰচ কৰি কোৰবাণী দিয়ে তেতিয়া দৰিদ্ৰ শ্ৰেণীৰ লোক আৰু অসহায় লোক সকলকও সহায় কৰা উচিত আৰু সিহঁতৰ প্ৰয়োজনীয়তা পূৰণ কৰা উচিত। আল্লাহ তা'লা আমাৰ মাজত তাকওৱা অৱলম্বন কৰি নিজৰ অৱস্থাক আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে  অতিবাহিত কৰাৰ সৌভাগ্য দান কৰক। আমি যেন কেৱল সেইজনাৰ সন্তুষ্টিৰ খাতিৰে কাম কৰো। আল্লাহ তা'লা অতি সোনকালে বিৰুদ্ধবাদী সকলৰ পৰা মুক্তিৰ ব্যৱস্থা কৰি দিয়ক আৰু আমাৰ কোৰবাণী গৃহীত কৰক। কিবা কাৰণ বশতঃ যিসকলে কোৰবাণী কৰিব পৰা নাই আল্লাহ তা'লা সিহঁতৰ নিয়তৰ প্ৰতিদান দিয়ক। মুছলমান সকলক বিবেক বুদ্ধি দান কৰক সিহঁতে যেন আঁহজৰত (ছাঃ)ৰ কথাবোৰ বুজি পাই তেখেত (ছাঃ)ৰ দাসত্বত আগমন কৰা হজৰত মছীহ মাওউদ (আঃ)ক গ্ৰহণ কৰিব পাৰে।

কয়েদী সকলে কেৱল আল্লাহৰ খাতিৰে কষ্টক সহ্য কৰি আছে সিহঁতৰ কোৰবাণী আল্লাহ তা'লাই গৃহীত কৰক আৰু অতি সোনকালে সিহঁতৰ মুক্তিৰ উপায় উলিয়াই দিয়ক। শ্বহীদ সকলৰ বংশধৰক সেইজনাৰ সুৰক্ষাত নিৰাপদে ৰাখক আৰু খোদা তা'লাৰ সৈতে সম্পৰ্ক দৃঢ় হোৱাৰ সৌভাগ্য দান কৰক। জগতৰ বিবাদ, বিশৃংখলা আৰু যুদ্ধ অন্ত হোৱাৰ বাবে দোৱা কৰিব। পাকিস্তানী আহমদী সকলৰ বাবে বিশেষকৈ দোৱা কৰিব। আল্লাহ তা'লা সিহঁতৰ ধন-সম্পদ, প্ৰাণ আৰু কোৰবাণীৰ উৎসাক গৃহীত কৰক। বৰকিনা ফাছো, বাংলাদেশ, আলজজাইৰ আৰু সমগ্ৰ জগতৰ আহমদী সকলৰ বাবে দোৱা কৰিব, আল্লাহ তা'লা সকলোকে নিজৰ কৃপা আৰু দয়াৰ চাদৰেৰে যেন ঢাকি ৰাখে; সমগ্ৰ আহমদী সকলে হজৰত মহম্মদ (ছাঃ)ৰ পতাকাখন গোটেই জগতত উত্তোলণ কৰি এক খোদাৰ পয়গাম বিস্তাৰ কৰাৰ অঙ্গীকাৰ পূৰ্ণ কৰি প্ৰত্যেক প্ৰকাৰ কোৰবাণী কৰাৰ বাবে প্ৰস্তুত থাকে যেন। আল্লাহ তা'লা আমাৰ সকলোকে ইয়াৰ সৌভাগ্য দান কৰক।

খোতবা ছানিয়া আৰু দোৱাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে আপোনালোকৰ সকলোকে আৰু সমগ্ৰ জগতৰ আহমদী সকলক ঈদ মোবাৰক জনায়। (আচ্ছালামু আলায়কুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু।).

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ـ عِبَادَ اللّٰهِ رحمكم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ـ

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844